This question paper consists of 27 questions and 4 printed pages.
এই প্ৰশ্নকাকতত 27খন প্ৰশ্ন আৰু 4 ছপা পৃষ্ঠা আছে।

**Code No. 65/S/A/A**
কোড নং

Roll No.
ৰোল নং

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | |

ছেট **A**

# ASSAMESE

## ( অসমীয়া )

## (228)

Day and Date of Examination ..............................................................
(পৰীক্ষাৰ দিন আৰু তাৰিখ)

Signature of Invigilators 1. ..............................................................
(তত্ত্বাৱধানকাৰীসকলৰ স্বাক্ষৰ)

2. ..............................................................

*সাধাৰণ নিৰ্দেশাৱলী ঃ*

1. প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।
2. পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।
3. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।
4. নিৰ্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।
5. উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা 65/S/A/A, ছেট A উল্লেখ কৰিব।

# ASSAMESE

## (অসমীয়া)

## (228)

সময় ঃ 3 ঘণ্টা ] [ পূৰ্ণমান ঃ 100

**নির্দেশ ঃ** ***সকলো*** প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয়। প্ৰতিটো প্ৰশ্নৰ কাষত নম্বৰ দিয়া আছে।

**1.** 'বিফল বয়স সব গেলৰে' ইয়াত কবিয়ে বয়স শব্দৰ জৰিয়তে কিহক বুজাবলৈ বিচাৰিছে? 1

**2.** 'জনমভূমি' নামৰ কবিতাটিৰ কবিগৰাকীৰ নাম লিখা। 1

**3.** আবেলি আহিলে কিহৰ আৱৰণে জগতৰ জেউতি কমায়? 1

**4.** কবি কাৰ বাবে জীয়াই আছে? 1

**5.** তুলাৰামৰ কিমান চনত মৃত্যু হয়? 1

**6.** ভাৰতৰ স্বাধীনতা ৰণৰ পৰিসমাপ্তি ঘটোৱা আন্দোলনটি কি? 1

**7.** দোলন কোন? 1

**8.** টিংখং বজোৱা শুনি কোনে সাৱধান বাণী শুনাইছিল? 1

**9.** ঘুনুচাৰ একমাত্ৰ পুতেকৰ নাম কি আছিল? 1

**10.** কোন চনত মাদাৰ টেৰেছাৰ মৃত্যু হয়? 1

**11.** কেতেকীৰ নিস্পন্দ দেহত প্ৰাণৰ স্পন্দন আনিবলৈ কিহৰ প্ৰয়োজন বুলি চৰাইজনীয়ে কৈছিল? 2

**12.** ৱাটাৰ্লু যুদ্ধত কোনে, কি কাৰণত পৰাজিত হৈছিল? 2

**13.** কণমাই কোন? কণমাইৰ ল'ৰাটোৱে কি চাকৰি পাইছিল? 2

**14.** জীৱন বীণ মানে কি? সেই বীণত কেতিয়া বিষাদ কালিমা জাগে? 3

**15.** ইয়াণ্ডাবু সন্ধি ক'ত, কেতিয়া আৰু কাৰ কাৰ মাজত হৈছিল, বুজাই লিখা। 3

**16.** ৰমজান মাহ আৰম্ভ হোৱাৰ লগে লগে মগনীয়াৰসকলক দান কৰিবলগীয়া হোৱা কথাখিনি 'বতৰটো ফৰকাল' নামৰ গল্পটোত কেনেদৰে প্ৰকাশ পাইছে, বুজাই লিখা। 3

**17.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা: 5×2=10

(ক) যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কালিলৈ পাহিমেলি নেহাঁহে দুনাই।

(খ) নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয়।

**18.** 'জনমভূমি' *অথবা* 'গড়গাঁও' কবিতাটিৰ মূলভাব লিখা। 6

**19.** শান্তিৰ দূত মাদাৰ টেৰেছাৰ কৰ্মময় জীৱনৰ চমু আভাস দিয়া। 5

**20.** লুকু কোন? তেওঁৰ শেষ বাণী কি আছিল? 4

**21.** তোমাৰ অঞ্চলত মেলেৰিয়া ৰোগ হৈছে। মেলেৰিয়া ৰোগৰ প্ৰতিকাৰ বিচাৰি বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা। 8

**22.** এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**): 1×5=5

সহযোগ নকৰা লোক; বনত ফুৰে যি; পৰ্বতৰ ওখ জোঙা আগভাগ; বিদেশৰ পৰা অহা লোক; যি সকলো জানে; দেশৰ প্ৰতি ভক্ত যিজন।

**23.** বাক্য-ৰচনা কৰা (যি কোনো **পাঁচটা**): 1×5=5

জাকত জিলিকা; কেন্‌কেনীয়া; পানীত হাঁহ নচৰা; কাবৌ কাকুতি; দোপত দোপে; চকুমুদা।

**24.** সন্ধি ভাঙা আৰু জোৰা লগোৱা (যি কোনো **পাঁচটা**): 1×5=5

বনৰীয়া; নাচনী; সিংহদুৱাৰ; ভাগৰ + উৱা; উৎ + নতি; পৰি + ঈক্ষা।

**25.** বিপৰীতাৰ্থক শব্দ লিখা (যি কোনো **পাঁচটা**): 1×5=5

আকাশ; দুখীয়া; শত্ৰু; প্ৰৱেশ; স্থিৰ; সৰল।

**26.** ভাব-সম্প্ৰসাৰণ কৰা (যি কোনো **দুছোৱা**): 6×2=12

(ক) পঢ়ে পঢ়ুৱাই ৰোৱে পাণ, এই তিনি নিচিন্তে আন।

(খ) অহিংসাই পৰম ধৰ্ম।

(গ) পুথি অধ্যয়ন বিদ্যা আৰ্জনৰ ঘাই উপায়।

**27.** তলৰ যি কোনো **এটা** বিষয় বাছিলৈ এখন ৰচনা লিখা: 10

তোমাৰ প্ৰিয় সাহিত্যিক; ছাত্ৰজীৱনৰ কৰ্তব্য; দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ; ভ্ৰমণৰ আৱশ্যকতা।

★ ★ ★